REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 2-10-2023
Time : 1845 Hrs.

# ASSAMESE EVENING BULLETIN

## Headlines (02-10-2023, EVEN.)

১। সমগ্ৰ ৰাজ্যতে আজি মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন। গুৱাহাটীৰ গান্ধী মণ্ডপত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জাতিৰ পিতালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

২। অসম এশ শতাংশই মুকলিত মলত্যাগৰ অভ্যাস আৰু আৱৰ্জনামুক্ত ৰাজ্য হিচাপে পৰিগণিত হোৱা বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত 'মেৰি মাটি, মেৰা দেশ' কাৰ্যসূচীৰ অংশ হিচাপে অমৃত কলহ্ যাত্ৰা অভিযানৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আৰম্ভ।

৪। গুৱাহাটীৰ শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত অসম মন্ত্ৰীসভাৰ বৈঠক আৰম্ভ।

৫। এম আৰ এন এ প্ৰযুক্তিৰ কোভিড প্ৰতিষেধক বিকশাই তোলাৰ বাবে শৰীৰ তত্ত্ব অথবা ভেষজ বিজ্ঞানত দুগৰাকী বিজ্ঞানীলৈ চলিত বছৰৰ ন'বেল পুৰস্কাৰ।

*আৰু*

৬। চীনৰ হাংচ'অ'ত চলি থকা এছিয়ান গেমছৰ নৱম দিনা আজি ভাৰতৰ ৩টা ব্ৰঞ্জৰে পদকৰ সংখ্যা ৫৮লৈ বৃদ্ধি।

000000000

সমগ্ৰ দেশজুৰি আজি জনসাধাৰণে জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম দিৱস উপলক্ষে গান্ধীজীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। গান্ধী জয়ন্তী উপলক্ষে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজঘাটত মহাত্মা গান্ধীৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়।

দেশে আজি লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ জয়ন্তীত তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজয় ঘাটত আজি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে আমাৰ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ সময়ত দিয়া নেতৃত্বৰ বাবে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক সদায় স্মৰণ কৰা হ'ব।

অসমতো আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। **যোৰহাট** জিলা প্ৰশাসনৰ উদ্যোগত গান্ধী ময়দানত জাতিৰ পিতা মহাত্মা গান্ধীৰ জয়ন্তী পালন কৰা হয়। এই উপলক্ষে সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। গান্ধী জয়ন্তী উপলক্ষে **মাজুলী**ৰ ৫৩৬ খন বিদ্যালয়ত আন্তৰ্জাতিক অহিংসা দিৱস পালন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি গান্ধীজীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা জ্ঞাপন, শান্তি সমদল, শান্তিৰ বাৰ্তা বিলোৱা বেনাৰ আৰু প্লেকাৰ্ড প্ৰদৰ্শন, গান্ধী বিষয়ত বক্তৃতা আদি

উদযাপন কৰা হয়। **তিনিচুকীয়া** জিলাৰ শদিয়া মহকুমাত মহকুমা প্ৰশাসনৰ উদ্যোগত আন্তৰ্জাতিক অহিংসা দিৱস পালন কৰা হয়। জিলাখনৰ মহখুলি আদৰ্শ চিকিৎসালয়ত গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি চাফাই অভিযান চলোৱা হয়।

কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ উদ্যোগত আজি শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত জাতিৰ পিতা গৰাকীৰ জয়ন্তী উদ্‌যাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ জনসাধাৰণৰ হৈ জাতিৰ পিতাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। মুখ্যমন্ত্ৰীৰ উপস্থিতিত সেই স্থানতে এখন সৰ্বধৰ্ম প্ৰাৰ্থনাসভাৰো আয়োজন কৰা হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মানৱ জীৱনলৈ দিয়া শ্ৰেষ্ঠতম বাণী নিজৰ জীৱনতো প্ৰয়োগ কৰি মহামানৱ মহাত্মা গান্ধীয়ে যি আদৰ্শ দেখুৱাই থৈ গৈছে, সেয়া বিশ্ববাসীৰ বাবে অমল প্ৰেৰণাৰ উৎস। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি বহু বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে। ইফালে, গান্ধী মণ্ডপৰ অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই চানমাৰিৰ অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ কাৰ্যালয়ত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ কমলা কলিতাৰ উপস্থিতিত জাতিৰ পিতালৈ শ্ৰদ্ধাঞ্জলি জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণত গান্ধীজীৰ সত্য আৰু অহিংসাৰ পথেৰে অসমখনক বিকাশৰ গতিত আগুৱাই নিয়া হ'ব বুলি আশা ব্যক্ত কৰে।

ইপিনে, বৰপেটা জিলাত গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি জিলা কৃষি বিভাগে ঔষধি গছৰ এখন বাগিচা নিৰ্মাণৰ কাম আৰম্ভ কৰে। আনহাতে, আজিৰ দিনটোৰ লগত সংগতি ৰাখি জিলা কৃষি বিভাগে আন কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰিছে। কাৰ্বি আংলং জিলাতো গান্ধী জয়ন্তী উপলক্ষে আন্তঃৰ্জাতিক অহিংসা দিৱস পালন কৰা হয়। এই উপলক্ষে জিলা মহিলা সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হয়। কৰিমগঞ্জ জিলাত গান্ধী জয়ন্তী উপলক্ষে চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পুৰা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পাছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, বক্তৃতা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হয়।

০০০০০০০০০

অসম ১০০ শতাংশই মুকলিত মল ত্যাগৰ অভ্যাস আৰু আৱৰ্জনামুক্ত অভিলাষী ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী চিন্তা আৰু নেতৃত্বৰ ফলত অসমে স্বচ্ছতাৰ ক্ষেত্ৰত নতুন শিখৰ স্পৰ্শ কৰিবলৈ  সমৰ্থ হৈছে। মুখ্যমন্ত্ৰীয়ে এই সফলতাৰ বাবে সকলো জিলাকে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে, নিৰলস প্ৰচেষ্টাৰ ফলত অসমৰ ২৫ হাজাৰ ৪৩৭খন গাঁও মুকলিত মল ত্যাগৰ অভ্যাস আৰু আৱৰ্জনামুক্ত হিচাপে অভিলাষী শাখাত অন্তৰ্ভুক্ত হৈছে।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যত চলি থকা অমৃত কলহ যাত্ৰা সন্দৰ্ভত গুৰুত্বপূৰ্ণ ঘোষণা কৰে। মহানগৰীৰ গান্ধী মণ্ডপত জাতিৰ পিতালৈ শ্ৰদ্ধাঞ্জলি জনোৱা অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ দিনটো সকলোৰে বাবে আন এটা গুৰুত্বপূৰ্ণ দিন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানত আৰম্ভ কৰা অমৃত কলহ যাত্ৰাই আজিৰ দিনটোত আন এটা মাইলৰ খুঁটি স্পৰ্শ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে আজিৰ দিনটোতে অসমৰ গাঁওসমূহৰ পৰা অমৃত কলহত সংগ্ৰহ কৰা পৱিত্ৰ মাটি পঞ্চায়তৰ

কাৰ্যালয়সমূহলৈ অনা হয়। একেদৰে ৮ৰ পৰা ২৫ অক্টোবৰত এই মাটি খণ্ড কাৰ্যালয়লৈ, ২৬ অক্টোবৰত গুৱাহাটীলৈ আৰু ২৭ অক্টোবৰত নতুন দিল্লীলৈ প্ৰেৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি **মৰিগাঁও** জিলাৰ মায়ঙত অমৃত কলহ যাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ জিলাখনৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত গোভালিৰ পৰা মায়ং পঞ্চায়ত কাৰ্যালয় অভিমুখে উলিওৱা শোভাযাত্ৰাত সতী ভেটিৰ সোণাৰাম সেৱাশ্ৰমলৈকে পদব্ৰজে যাত্ৰা কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে পাঠশালা পৌৰসভাৰ কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে অমৃত কলহ যাত্ৰা ভাৰতৰ একতা আৰু ঐক্যবদ্ধ শক্তিৰ যুগ-যুগান্তৰলৈ উদাহৰণ হৈ ৰ'ব। **কামৰূপ** জিলাৰ গৰৈমাৰী উন্নয়ন খণ্ডৰ গাঁও পঞ্চায়তসমূহৰ অমৃত কলহ যাত্ৰাৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে আচলপাৰা গাঁও পঞ্চায়ত আৰু গৰৈমাৰী খণ্ড উন্নয়ন বিষয়া ৰুবিতা সৰকাৰে টুক্ৰাপাৰা গাঁও পঞ্চায়তত অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰে। **শিৱসাগৰ** জিলাৰ শিমলুগুৰি পৌৰ সভা এলেকাত সংগ্ৰহ কৰা মাটিৰ কলহসমূহ আজি শিমলুগুৰি কৰ্তৃপক্ষক অৰ্পণ কৰা হয়। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈৰ নেতৃত্বত শিমলুগুৰি নগৰৰ মছজিদ তিনিআলিৰ পৰা এটা শোভাযাত্ৰা উলিয়াই অমৃত কলহসমূহ শিমলুগুৰি পৌৰসভা কাৰ্যালয়লৈ লৈ যোৱা হয়। **চৰাইদেউ** জিলাৰ কাকতিবাৰী গাঁও পঞ্চায়ত আৰু উদয়পুৰ গাঁও পঞ্চায়ত এলেকাত সংগ্ৰহ কৰা অমৃত কলহসমূহ আজি পঞ্চায়ত কাৰ্যালয় দুটাত অৰ্পণ কৰা হয়। এই উপলক্ষে আয়োজিত শোভাযাত্ৰাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে নেতৃত্ব প্ৰদান কৰে। ইফালে, অমৃত কলহ যাত্ৰাৰ সৈতে সংগতি ৰাখি আজি সোণাৰি বিধানসভা সমষ্টিৰ পূৰ্বাঞ্চল গাঁও পঞ্চায়তত হোৱা অমৃত কলহ যাত্ৰাত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে অংশগ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে **ধেমাজিৰ** মৰিঢল পঞ্চায়তত এই কাৰ্যসূচীত অংশ লয়। মন্ত্ৰীগৰাকীয়ে পঞ্চায়তখনৰ অন্তৰ্গত গাঁওসমূহৰ বাসিন্দাসকলৰ ঘৰলৈ গৈ মাটি সংগ্ৰহ কৰে। **তিনিচুকীয়া** জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ কাকপথাৰ উন্নয়ন খণ্ডৰ মানখোৱা গাঁও পঞ্চায়তৰ অন্তৰ্গত গাঁওসমূহৰ ঘৰে ঘৰে সংগ্ৰহ কৰা মাটি ৰখা অমৃত কলহসমূহ আজি পঞ্চায়তৰ কাৰ্যালয়ত জমা দিয়া হয়। এই কাৰ্যসূচীত বিধায়ক ৰূপেশ গোৱালাকে ধৰি বহু ব্যক্তি উপস্থিত আছিল। **মাজুলী** বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰতনপুৰ মিৰি, শ্ৰীৰাম ৰঙাচাহি আৰু লুইতপৰীয়া গাঁও পঞ্চায়ত এলেকাৰ পৰা সংগ্ৰহ কৰা মাটিবোৰ আজি পঞ্চায়ত এলেকালৈ লৈ অনা হয়। এই কাৰ্যসূচীত স্থানীয় বিধায়ক ভূৱন গামকে ধৰি বহু ব্যক্তি উপস্থিত আছিল। **তেজপুৰ** সমষ্টিৰ অন্তৰ্গত ডেকাৰগাঁও গাঁও পঞ্চায়ত আৰু তেজপুৰ পৌৰসভাত অমৃত কলহ যাত্ৰাৰ কাৰ্যসূচীত বিধায়ক পৃথ্বিৰাজ ৰাভাই অংশগ্ৰহণ কৰে। ইফালে, ১ নম্বৰ বিহগুৰিত বিধায়ক গণেশ কুমাৰ লিম্বু, চতিয়া সমষ্টিৰ উত্তৰ চিলাবন্ধাত বিধায়ক পদ্ম হাজৰিকা, ৰঙাপৰাৰ নাহৰণিত বিধায়ক কৃষ্ণ কমল তাঁতী, ঢেকীয়াজুলিৰ বামুণপুখুৰীত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, পাঁচমাইলত আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। **নগাঁৱত** যোৱা ২০ ছেপ্তেম্বৰৰ পৰা আজি পৰ্যন্ত পৌৰসভাৰ অধীনৰ ২৬ টা মহলাৰ প্ৰতিঘৰ বাসিন্দাৰ পৰা সংগ্ৰহ কৰা মাটি আৰু চাউলৰ কলহবোৰ আজি পৌৰসভাৰ কাৰ্যালয়ত অৰ্পণ কৰা হয়। ইয়াৰ পূৰ্বে বিধায়ক ৰূপক শৰ্মাৰ নেতৃত্বত এটা শোভাযাত্ৰা উলিয়াই ছহিদ ভৱনৰ প্ৰাংগণত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ সন্মুখত অমৃত কলহসমূহ ৰখা হয়। এই উপলক্ষে আয়োজিত এখন সভাত দেশৰ বাবে অতুলনীয় সেৱা আগবঢ়োৱা কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

০০০০০০০০০

গান্ধী জয়ন্তীৰ পৱিত্ৰ দিনটোত আজি গুৱাহাটীৰ শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত অসম মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হয়। সন্ধিয়া ৬ বজাৰ পৰা এই কেবিনেট বৈঠকখন আৰম্ভ হৈছে। এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। বৈঠকৰ পিছতে চৰকাৰৰ ফালৰ পৰা সংবাদমেলৰ জৰিয়তে সিদ্ধান্তসমূহ সদৰি কৰা হ'ব।

০০০০০০০০০

চৰকাৰে পদ্ধতিগতভাৱে এখন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীক নিজৰ দেশ আৰু ঐতিহ্যৰ প্ৰতি দায়বদ্ধ হ'বলৈ উৎসাহিত কৰাটো অনাশৈক্ষিক কাৰ্যসূচী নহয় বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দৃঢ়তাৰে প্ৰকাশ কৰিছে। অমৃত বৃক্ষ, অমৃত কলহ, লাচিত বৰফুকন সম্পৰ্কীয় ৰচনা, পোষণ সপ্তাহ আদি অনাশৈক্ষিক কামকাজত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰোৱা সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি সন্দৰ্ভত আজি শিক্ষা মন্ত্ৰী গৰাকীয়ে নিজৰ স্থিতি স্পষ্ট কৰি এইদৰে কয়। তেওঁ কয় যে, বৰ্তমানৰ বিদ্যাৰ্থীসকল ভাৰতবৰ্ষৰ স্বাধীনতাৰ অমৃত কালৰ সন্তান আৰু সেয়েহে ২০৪৭ চনত দেশক বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ দায়িত্ব তেওঁলোকৰ ওপৰত ন্যস্ত আছে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে, নৈতিকতা, দেশপ্ৰেম, মানৱতা আৰু জাতি প্ৰেম বিহীন তথা নিজৰ মাটি আৰু ঐতিহ্যক চিনি নোপোৱা শিক্ষিত ব্যক্তি গঢ়ি তোলাৰ পৰিৱৰ্তে মূল্যবোধ সম্পন্ন নাগৰিক সমাজ তথা দেশৰ বাবে অতি প্ৰয়োজনীয়। বিদ্যাৰ্থীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ লক্ষ্যৰে বিদ্যায়তনিক পাঠ্যক্ৰমৰ সমান্তৰালভাৱে এনে ধৰণৰ কাৰ্যসূচীসমূহ গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০০০

এম আৰ এন এ প্ৰযুক্তিৰ কোভিড প্ৰতিষেধক বিকশাই তোলাৰ বাবে শৰীৰ তত্ত্ব অথবা ভেষজ বিজ্ঞানত দুগৰাকী বিজ্ঞানীলৈ চলিত বছৰৰ ন'বেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। অধ্যাপত কেটেলিন কেৰিক' আৰু ড্ৰু ৱেইছমেনে যুটীয়াভাৱে এই পুৰস্কাৰ লাভ কৰিছে। কোভিড মহামাৰীৰ পূৰ্বে পৰীক্ষামূলকভাৱে এই প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছিল যদিও সম্প্ৰতি কৰ্কট ৰোগকে ধৰি অন্যান্য ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এই প্ৰযুক্তি ব্যৱহাৰৰ বাবে গৱেষণা চলি আছে। পেন্সিলভেনিয়া বিশ্ববিদ্যালয়ৰ দীৰ্ঘ দিনৰ সহকৰ্মী হাংগেৰীৰ কেৰিক' আৰু আমেৰিকাৰ ৱেইছমেনে তেওঁলোকৰ গৱেষণাৰ বাবে ইতিপূৰ্বে বিভিন্ন বঁটা লাভ কৰিছে। ২০২১ চনত বিজ্ঞানী দুগৰাকীয়ে ন'বেল পুৰস্কাৰৰ পূৰ্বসুৰী হিচাপে পৰিগণিত লেস্কাৰ বঁটাও লাভ কৰিছিল। ষ্টকহ'মৰ ন'বেল পুৰস্কাৰ সমিতিয়ে বিবৃতি যোগে প্ৰকাশ কৰা মতে এই বিজ্ঞানী যুটীটোৱে সাম্প্ৰতিক সময়ত মানৱজাতিৰ স্বাস্থ্যৰ প্ৰতি বৃহৎ ভাবুকিৰ সৃষ্টি কৰা প্ৰতিষেধক বিকশাই তোলা বাবে এই বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে পৰম্পৰাগত প্ৰতিষেধকসমূহে মানৱ দেহৰ এটা দুৰ্বল ভাইৰাছ নাইবা ভাইৰাছৰ প্ৰটিনৰ মূল অংশ ব্যৱহাৰ কৰাৰ বিপৰীতে এম আৰ এন এ ভেকচিনে জীৱ কোষক কি প্ৰটিন প্ৰস্তুত কৰিলে ইয়াৰ সহায়ত সংক্ৰমণ হ'লে শৰীৰ ৰোগ প্ৰতিৰোধ ব্যৱস্থাই যুঁজ দিব পাৰে সেই সন্দৰ্ভত সাজু কৰি তোলে। কোভিডৰ প্ৰদুৰ্ভাৱৰ সময়ত ম'ডাৰ্না, ফাইজাৰ আৰু বায়'এনটেক প্ৰতিষেধক কেইবিধ এই প্ৰযুক্তি ব্যৱহাৰ কৰি বিকশাই তোলা হৈছিল।

০০০০০০০০০

গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি কামৰূপ জিলাৰ ৰঙিয়া আদৰ্শ চিকিৎসালয়ত 'আয়ুষ্মান ভৱ' কাৰ্যসূচীৰ অধীনত মেগা স্বাস্থ্য মেলাৰ আয়োজন কৰা হয়। ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতাই উদ্বোধন কৰা এই স্বাস্থ্য মেলা অভিজ্ঞ চিকিৎসকৰ দ্বাৰা চকু, প্ৰসূতি, শিশু, দন্ত, মনোৰোগ আদি বিভিন্ন

বিভাগৰ চিকিৎসা সেৱা প্ৰদান কৰা হয়। লগতে কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত হিতাধিকাৰীসকলক আয়ুষ্মান কাৰ্ড বিতৰণ কৰা হয়।

ওডালগুৰি জিলাতো আজি প্ৰতিখন ভিচিডিচিৰ অধীনত আয়ুষ্মান ভৱ অভিযানৰ অংশ হিচাপে আয়ুষ্মান সভা অনুষ্ঠিত হয়। স্বাস্থ্য সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই সভাৰ আয়োজন কৰা হয়। সভাসমূহত স্বাস্থ্যকৰ্মীসকলে আয়ুষ্মান কাৰ্ড বিতৰণ, অসংক্ৰামক ৰোগ, যক্ষ্মা আদি সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে স্বাস্থ্য সম্পৰ্কীয় আঁচনিসমূহৰ বিষয়ে প্ৰকাশ কৰে। যোৱা ১৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা আয়ুষ্মান ভৱ অভিযানৰ অংশ হিচাপে প্ৰতিটো স্বাস্থ্য কেন্দ্ৰতে স্বাস্থ্য মেলা অনুষ্ঠিত হৈছে। কাইলৈ মহলিয়াপাৰা আদৰ্শ চিকিৎসালয়ত স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰী আৰু ভূঞাপাৰা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ দ্বিতীয়খন প্ৰৱেশ দ্বাৰা আজি পৰ্যটকৰ বাবে মুকলি কৰা হয়। চিৰাং জিলাৰ বিজনী মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ বনচোন বাগান প্ৰৱেশদ্বাৰখন আজি বিটিআৰৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে মুকলি কৰে। উল্লেখযোগ্য যে, বিগত বছৰ উদ্যান কৰ্তৃপক্ষই এই প্ৰৱেশ দ্বাৰখন মুকলি কৰিছিল। আজিৰ অনুষ্ঠানত মানস ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ৰাজেন চৌধুৰীসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

গুৱাহাটী মহানগৰীত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। আজি পাণবজাৰ আৰক্ষীয়ে লাখটকীয়াৰ দুই নম্বৰ ৰে'ল গে'টৰ সমীপত অভিযান চলাই ১৪টা কণ্টেইনাৰত ১৮ দশমিক ৮৮ গ্ৰাম হেৰইন জব্দ কৰে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে দুটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

ইফালে, কৰিমগঞ্জ আৰক্ষীয়ে আজি জিলাখনৰ চুৰাইবাৰী তালাচী চকীত অভিযান চলাই এখন বাহনৰ ভিতৰত থকা বাকচৰ পৰা ৫১ কিলোগ্ৰাম ওজনৰ গাঞ্জা জব্দ কৰে। এই সন্দৰ্ভত দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰি আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

০০০০০০০০০

আয়ুস্মান ভৱ অভিযানৰ অধীনত ৫০ হাজাৰৰো অধিক লোকে নিজৰ অংগদান কৰাৰ প্ৰতিশ্ৰুতি দিছে। এই অভিযান যোৱা মাহত গুজৰাটক গান্ধী নগৰত আৰম্ভ হৈছিল। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী মনসুখ মান্দভিয়াই সামাজিক মাধ্যমৰ এটা পোষ্টত অংগদানৰ বাবে প্ৰতিজ্ঞা ল'বলৈ জনসাধাৰণক আহ্বান জনায়।

০০০০০০০০০

চীনৰ হাংচ'অ'ত চলি থকা এছিয়ান গেমছৰ নৱম দিনা আজি ভাৰতে ৩টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক সংখ্যা ৫৮লৈ বৃদ্ধি কৰিছে। ভাৰতীয় মহিলা আৰু পুৰুষৰ স্পীড স্কেটিং দলে দুটা ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে টেবুল টেনিছত মহিলাৰ ডাবলছ শাখাত ভাৰতীয় দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে।

ভাৰতীয় মহিলা স্কেটিং দলৰ সঞ্জনা ভাটুকা, কাৰ্তিকা জগদীশ্বৰণ, হীৰাল সাধু আৰু আৰতি কস্তুৰীৰাজে ৩হাজাৰ মিটাৰ স্পীড স্কেটিং ৰিলেট তৃতীয় স্থান দখল কৰে। ভাৰতৰ আৰ্য়ন পল, আনন্দ কুমাৰ, সিদ্ধান্ত, বিক্ৰমক লৈ গঠিত পুৰুষৰ স্পীড স্কেটিং দলটোৱেও তৃতীয় স্থান দখল কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। টেবুল টেনিছত আইহিকা মুখাৰ্জী আৰু সুতীৰ্থা মুখাৰ্জীয়ে মহিলাৰ ডাবলছত ব্ৰঞ্জৰ পদক লাভ

কৰে। চেমিফাইনেলত তেওঁলোক উত্তৰ কোৰিয়াৰ  ছুয়ং সাহ আৰু ছুগয়ং পকৰ বিৰুদ্ধে খেলি পৰাজিত হয়।

ইফালে অসমৰ অম্লান বৰগোহাঁই পুৰুষৰ ২০০ মিটাৰ দৌৰৰ ফাইনেলৰ ষষ্ঠ স্থানত থাকি পদকৰ পৰা বঞ্চিত হয়। এই প্ৰতিযোগিতাত চীনে ১৪২টা স্বৰ্ণ পদক সহ প্ৰথম স্থান দখল কৰি থকাৰ বিপৰীতে ভাৰত চতুৰ্থ স্থানত আছে।

০০০০০০০০০

০০০০০০০০০

০০০০০০০০০

সমাপ্ত